# পোষ্ট-মাষ্টাৰ

মূল ঃ ৰবীন্দ্রনাথ ঠাকুৰ
অনুবাদ ঃ অধ্যাপক ব্রজেন বর্মন

পোষ্ট-মাষ্টাৰে প্রথম চাকৰিত সোমায়েই উলাপুৰ গাঁৱলৈ আহিব লগা হয়। গাঁওখন নিচেই সৰু। গাঁওখনত এটা নীল উৎপাদনৰ কাৰখানা আছিল। সেই কাৰখানাৰ মালিক চাহাব এজনে বৰ কষ্টকৈ এই নতুন পোষ্ট-অফিচটো স্থাপন কৰিলে। এই পোষ্ট-অফিচলৈ অহা আমাৰ এই পোষ্ট-মাষ্টাৰ কলিকতাৰ ল'ৰা। পানীৰ পৰা বামলৈ তোলা মাছৰ যেনেকুৱা অৱস্থা হয় একেবাৰে আওহতীয়া এই গাঁৱলৈ আহি আমাৰ পোষ্ট-মাষ্টাৰৰো তেনে দশা হ'ল। আঠখন চালৰ বে�ৰশূন্য ঘৰ এটা, সেইটোয়েই অফিচৰ। ওচৰত এটা পুখুৰী। চাৰিওফালে বন-জংগল। কাৰখানাত গোমস্তা আদি যিবোৰ কর্মচাৰী আছে সিহঁতৰ অৱসৰ নাই কথা পতাৰ। অৱশ্যে এই ভদ্রলোকৰ লগত মিলিবলৈ সিহঁত উপযুক্ত নহয়।

বিশেষতঃ কলিকতাৰ ল'ৰাই ভালকৈ কাৰো লগত মিলিব নোৱাৰে। অপৰিচিত ঠাইলৈ গ'লে হয় উদ্ধত, নহয় অপ্রতিভ হৈ পৰে। সেই কাৰণে স্থানীয় লোকৰ লগত তাৰ মিলা-মিচা হোৱা নাই। অথচ হাতৰ কাম-কাজো তেনেকৈ নাই। কেতিয়াবা দুই এটা কবিতা লিখিবলৈ চেষ্টা কৰে তাত এনে ভাব ব্যক্ত কৰে যে সকলো দিন গছ-পাতৰ কঁপনি আৰু আকাশৰ মেঘ জীৱনৰ বৰ সুখেৰে কাটি গৈছে; কিন্তু অন্তর্যামীয়ে জানে যদি আৰব্য উপন্যাসৰ কোনো দৈত্য আহি এৰাতিৰ ভিতৰতে এই গছ-লতিকাৰ স'তে সকলো গছবোৰ কাটি পকী ৰাস্তা সজাই দিয়ে আৰু শাৰী

Scanned with CamScanner

শাৰী অট্টালিকাৰে আকাশক মেঘৰ দৃষ্টিপথৰ পৰা ৰুদ্ধ কৰি থোৱাৰ ব্যৱস্থা কৰে তেতিয়াহ'লে আমাৰ এই আধামৰা ভদ্ৰ সন্তানটিৰ পুনৰ নৱ জীৱন লাভ সম্ভৱ হ'ব।

পোষ্ট-মাষ্টাৰৰ দৰমহা অলপীয়া। নিজে ৰান্ধি-বাঢ়ি খায়। গাঁৱৰ অনাথ ছোৱালী এজনী আহি তেওঁক ইটো-সিটো কাম কৰি সহায় কৰি দিয়ে। ছোৱালীজনীয়ে তেওঁৰ বাবে খোৱাৰ ব্যৱস্থাও কৰি দিয়ে। ছোৱালীজনীৰ নাম ৰতন।

গধূলি সময় যেতিয়া গাঁৱৰ গোহালিঘৰৰ পৰা ধোঁৱা-কুণ্ডলী পকাই ওপৰলৈ উঠি যায়, বনৰ জোপোহাবোৰত ঝিলিয়ে মাতে, দূৰৰ গাঁৱত নিচাখোৰ বাউলৰ দলে খোল-কৰতাল বজাই উচ্চস্বৰে গান গাবলৈ ধৰে, যেতিয়া অন্ধকাৰৰ মাজত অকলে বহি গছবোৰ কঁপি থকা দেখিলে কবিৰ হৃদয়ত ঈষৎ হৃদকম্পন উপস্থিত হয় তেতিয়াই ঘৰৰ একোণত এটি ক্ষীণ পোহৰৰ চাকি জ্বলাই পোষ্টমাষ্টৰে মাতে — ৰতন। ৰতনে দুৱাৰ মুখত বহি এই মাততোঁলৈ অপেক্ষা কৰি থাকে। কিন্তু এবাৰ মাতিলেই তাই ঘৰৰ ভিতৰ নোসোমায়। বাহিৰৰ পৰাই মাত দিয়ে — দাদা।

পোষ্ট-মাষ্টাৰ ঃ তই কি কৰিছ!।

ৰতন। এতিয়াই চৌকা জ্বলাব লাগিব নেকি?

পোষ্ট-মাষ্টাৰ ঃ সেইটো পিছে পৰেও হ'ব। তই এতিয়া মোক ধঁপাত এচিলিম লগাই দে। পলম নকৰাকৈ চিলিমত ফু দি গাল ফুলাই ৰতন সোমাই আহে। তাইৰ হাতৰ পৰা হোকাটো আনি পোষ্ট-মাষ্টৰে তাইক সোধে বাৰু ৰতন! তোৰ মালৈ মনত পৰেনে? সেইবোৰ বহু কথা। কিছুমান মনত পৰে কিছুমান নপৰে। মাকতকৈ বাপেকে তাইক বেছি ভাল পাইছিল। বাপেকক অলপ অলপ মনত পৰে। পৰিশ্রম কৰি গধূলি ঘৰলৈ ঘুৰি আহিছিল। সেই সন্ধ্যাৰ ছবিবোৰ তাইৰ মনত পৰে। এই কথা পাতি তাই পোষ্ট-মাষ্টাৰৰ ভৰিৰ ওচৰত বহি পৰে। এনেদৰে কথা পতাতো পলম হৈ যায়। পোষ্ট-মাষ্টাৰৰ আৰু ভাত ৰন্ধাও নহয়। ৰতনে দুখন ৰুটি পুৰি আনি আগত থয়। বাহী আঞ্জা গৰম কৰি তাৰেই ৰুটি খায়।

এদিন পোষ্ট-অফিচৰ কোণত চাকিৰ পোহৰত বহি পোষ্ট-মাষ্টৰে নিজৰ ঘৰৰ কথা ভাবি আছিল। প্রথমে অকলশৰে থাকি ভায়েক আৰু বায়েকজনীলৈ মনত পৰিছিল। যি কথা কাৰখানাৰ গোমস্তাবোৰৰ আগত ক'ব নোৱাৰ সেই কথা সেই অবোধ বালিকাৰ আগত কৈ যায় পোষ্ট-মাষ্টাৰে। অৱশেষত এনে হ'ল ৰতনে কথা ক'লে তাৰ মাক-দেউতাক, ভায়েকক মা-দেউতা, দাদা বুলিয়ে ক'বলৈ ধৰা হ'ল। আনকি সেই অকণমানি ছোৱালীজনীয়ে সিহঁতৰ কাল্পনিক চিত্রও অংকিত কৰি লোৱা কৰিলে।



এদিন বাৰিষা কালত মেঘমুক্ত দুপৰীয়া অকণমান গৰম বতাহ বলিছিল। ৰ'দত তিতা ঘাঁহৰ পৰা এটা গোন্ধ ভাঁহি আহিছিল। প্রকৃতিৰ দৰবাৰত কৰবাৰ এটা চৰায়ে কৰুণ সুৰেৰে আবৃত্তি কৰিছিল। পোষ্ট-মাষ্টাৰৰ কাম-কাজ একো নাছিল। সিদিনা বৰষুণে ধোৱা সুন্দৰ গছ-লতিকাৰ হিল্লোল আৰু পৰাভূত বৰষাৰ ভগ্নাৱশেষ ৰ'দত শুভ্র স্তূপাকাৰ মেঘবোৰ সঁচাকৈয়ে চাবলগীয়া হৈছিল। পোষ্ট-মাষ্টাৰে তাকে চাই চাই ভাবিছিল এই সময়ত এজন কোনোবা নিতান্ত আপোন মানুহ হিয়াৰ লগত একান্ত সংলগ্ন এটি স্নেহৰ পুতুলী মানৰ মূর্তি। সি ভাবিলে চৰাইটোৰে যেন এই কথাকেই কৈছে। জনপ্রাণীহীন গছৰ ছায়াত নিমগ্ন দুপৰীয়া পাতৰ মর্মৰ ধ্বনিৰ অর্থও যেন এনেকুৱাই। কোনেও বিশ্বাস নকৰে আৰু নেজানেও কিন্তু সৰু ঠাইৰ সামান্য দৰমহাৰ চাব পোষ্ট-মাষ্টাৰ এজনৰ মনত গভীৰ নিস্তব্ধ মধ্যাহ্নত দীঘলীয়া বন্ধৰ দিনত এনে এটা ভাবৰ উদয় হোৱা স্বাভাবিক।

পোষ্ট-মাষ্টৰে এটা দীর্ঘশ্বাস এৰি মাতিলে — ৰতন! তেতিয়া তাই কাঁচা পোয়াৰা বুটলি খাই আছিল। প্রভুৰ কণ্ঠস্বৰ শুনি তাই দৌৰি আহি সুধিলে — দাদা মোক মাতিছিল?

পোষ্ট-মাষ্টৰে ক'লে — মই তোক অলপ অলপকৈ পঢ়ুৱাম বুলি ভাবিছো। তাৰ পিছত গোটেই দুপৰীয়া তাইক লৈ অ, আ মাতিবলৈ ধৰিলে। অলপ দিনৰ ভিতৰতে যুক্তাক্ষৰো মাতিবলৈ আৰম্ভ কৰিলে।

বাৰিষাৰ দিন। পানী আৰু বোকা। ৰাস্তা-ঘাট তেনেকৈ নাই গতিকে নাও লৈ বজাৰলৈ যাব লগা হয়।

এদিন ৰাতিপুৱা পোষ্ট-মাষ্টাৰৰ ছাত্রীজনীয়ে হাতত ফলি-পুথিলৈ দুৱাৰ মুখত বৈ প্রভুৰ কণ্ঠস্বৰলৈ অপেক্ষা কৰি আছিল। মাত নোপোৱাত লাহে লাহে ঘৰৰ ভিতৰ সোমাই দেখিলে তাইৰ প্রভু শুই আছে। জিৰণি লোৱা বুলি ভাবি লাহে লাহে ওলাই আহিব ধৰোতে পোষ্ট-মাষ্টাৰে মাত দিলে — ৰতন।

দৌৱা দৌৰিকৈ তাই উভতি আহি দুৱাৰ মুখৰ পৰা ঘুৰি গ'ল আৰু সুধিলে — দাদা শুইছে নেকি?

নহয়, অ ৰতন। গাটো সিমান ভাল নহয়। মোৰ কপালত হাতখন দি চাচোন। এই প্রবাস কালত কোনোবা এজনৰ পৰিচর্যা বিচাৰি পোষ্ট-মাষ্টাৰ যেন ব্যগ্র হৈ পৰিল। তপত কপালত শাঁখা পিন্ধা হাতৰ পৰশৰ কথা মনত পৰে। এই প্রবাস কালত ৰোগ-যন্ত্রণাত কাতৰ পোষ্ট-মাষ্টৰে কাষত বিচাৰে বায়েক অথবা মাকক। প্রবাসীৰ মনৰ অভিলাষ ব্যর্থ নহ'ল। ৰতন আৰু বালিকা হৈ নাথাকিল। তাই মাতৃ

Scanned with CamScanner

ৰাণ ধাৰণ কৰিলে। কবিৰাজক মাতি আনিলে। ঠিকমতে বড়ী খুৱালে, গোটেই ৰাতি মুৰশিতানত বহি জাগি থাকিল। পথ্য যোগাৰ কৰি মুখত দি ৰাৱে ৰাৱে সুধিব ধৰিলে — দাদা ভাল পাইছানে?

বহুদিনৰ মুৰত পোষ্ট-মাষ্টাৰ আৰোগ্য হ'ল যদিও এই ঠাই সোনকালে এৰাৰ সংকল্প ল'লে। স্থানীয় অৱস্থাৰ উল্লেখ কৰি ঊৰ্ধ্বতন কৰ্তৃপক্ষলৈ দৰ্খাস্তও কৰিলে।

পোষ্ট-মাষ্টাৰৰ ৰোগমুক্ত হোৱাৰ পাছত ৰতনে আকৌ ঘৰৰ বাহিৰত পূৰ্বৰ স্থানত বৈ থকা কৰিলে। কিন্তু আজিকালি তইক পোষ্ট-মাষ্টাৰে তেনেকৈ নামাতে। ৰতনে বাহিৰত বহি হেজাৰবাৰকৈ তাইৰ পুৰণা পঢ়া পঢ়িব ধৰিলে। যিদিনাখন ভিতৰৰ পৰা আহ্বান আহিব সিদিনা সকলো গোলমাল লাগিব বুলি তাই আশঙ্কা কৰিবলৈ ধৰিলে অৱশেষত এদিন এসপ্তাহমান পাছত গধূলি পোষ্ট-মাষ্টাৰে মাতিলে। উদ্বেলিত হৃদয়েৰে ৰতন ঘৰৰ ভিতৰ সোমায়ে সুধিলে — দাদা মোক আপুনি মাতিছিল। পোষ্ট-মাষ্টাৰে ক'লে ৰতন কাইলৈ মই যামগৈ।

ৰতন। ক'লৈ যাবা দাদা।

পোষ্ট-মাষ্টাৰৰ ঘৰলৈ

ৰতন আৰু কেতিয়া আহিবা?

পোষ্ট-মাষ্টাৰ আৰু নাহো।

ৰতনে আৰু একো নুসুধিলে। পোষ্ট-মাষ্টাৰে নিজে নিজে ক'লে — সি বদলিৰ কাৰণে দৰ্খাস্ত কৰিছিল কিন্তু আবেদন নামঞ্জুৰ হ'ল। গতিকে চাকৰি ইস্তফা দি ঘৰলৈ যাবগৈ। বহু সময় ধৰি কোনোৱে একো কথা পতা নাছিল। কোঠাত চাকিটো জ্বলি আছিল টিমিক-ঢামাককৈ। ঘৰৰ চাল ভেদ কৰি ৰৱষুণৰ পানী টপ্‌পটকৈ পৰি আছিল মাটিৰ পাত্ৰ এটিত।

অলপ পাছত ৰতনে ৰুটি পুৰিবলৈ গ'ল। অন্য দিনাৰ দৰে তাই কাম-কাজবোৰ লচ-পচকৈ কৰা নাই তাইৰ মনত চিন্তাৰ টো। খোৱা-লোৱা হোৱাৰ পাছত ৰতনে সুধিলে — দাদা মোকো তোমালোকৰ ঘৰলৈ লৈ যাবানে?

পোষ্ট-মাষ্টাৰে হাঁহি এটা মাৰি ক'লে — সেইটো কেনেকৈ হ'ব? তাৰ পাছত পোষ্ট-মাষ্টাৰে তাইক ঘৰলৈ নিয়া কি কি অসুবিধা তাক বুজাই ক'লে।

গোটেই ৰাতি ৰতনৰ কাণত প্ৰতিধ্বনি হ'ব ধৰিলে সেই পোষ্ট-মাষ্টাৰে কোৱা কথাষাৰ — সেইটো কেনেকৈ হ'ব।

ৰাতিপুৱা উঠি পোষ্ট-মাষ্টাৰে দেখিলে তেওঁৰ গা ধোৱা পানী ঠিক হৈ আছে। কলিকতাৰ অভ্যাস অনুসৰি তেওঁ তোলা পানীৰে গা ধোৱে। তেওঁ কেতিয়া যাব



ৰতনক কোৱা নাছিল কিন্তু পুৱাই পানীৰ দৰকাৰ হ'ব বুলি ৰতনে ৰাতিয়ে পানী তুলি আনিছিল নদীৰ পৰা।

পোষ্ট-মাষ্টাৰে গা ধুই উঠি ৰতনক মাতিলে। ৰতনে নিঃশব্দে ঘৰত প্ৰৱেশ কৰিলে আৰু আদেশৰ অপেক্ষাত প্ৰভুৰ মুখলৈ চাই থাকিল। পোষ্ট-মাষ্টাৰে ক'লে — মই যাবলৈ ওলালো মোৰ ঠাইত যিজন পোষ্ট-মাষ্টাৰ আহিব তাক কৈ যাম তোৰ কথা। তোক ভালদৰে চোৱা-চিতা কৰিব। তই একো ভাবিব নালাগে।

কথাখিনি যে দয়াৰে আৰ্দ্ৰ এখন হিয়াৰ প্ৰকাশ তাত সন্দেহ নাই কিন্তু নাৰী হৃদয়ে তাক কেনেকৈ বুজিব? ৰতনে বহুদিন প্ৰভুৰ তিৰস্কাৰ সহ্য কৰিছে। কিন্তু আজিৰ এই সাদৰী মাতষাৰ সহিব নোৱাৰিলে। তাই কান্দি কান্দি ক'লে — নাই, নাই দাদা তুমি কাকো একো ক'ব নালাগে। মই আৰু কাৰো ওচৰত থাকিব নিবিচাৰো।

পোষ্টমাষ্টাৰে ৰতনৰ এনে ব্যৱহাৰ কেতিয়াও দেখা নাই। তেওঁ অবাক হৈ ৰ'ল।

নতুন পোষ্ট-মাষ্টাৰ আহিল। পুৰণি পোষ্ট-মাষ্টাৰে সকলো বুজাই-বঢ়াই চাৰ্জ গতাই দিলে। যাবৰ সময়ত ৰতনক ক'লে — ৰতন মই তোক একো দিব পৰা নাই। আজি যোৱাৰ সময়ত তোক কিবা অলপ দি থৈ যাম বুলি ভাবিছো। ইয়াৰে তোৰ কিছুদিন চলি যাব।

অলপ হাত খৰচ ৰাখি তেওঁৰ পকেটৰ পৰা বাকী টকাখিনি উলিয়ালে। তাই পোষ্ট-মাষ্টাৰৰ ভৰিত পৰি ক'ব ধৰিলে — তোমাৰ দুটি ভৰিত ধৰিছো মোক একো দিব নালাগে তুমি মোক কাকো গতায়ো দিব নালাগে। মোৰ কথা কোনেও ভাবিব নালাগে বুলি কৈ দৌৰ মাৰি তাৰ পৰা আঁতৰি গ'ল।

পুৰণি পোষ্ট-মাষ্টাৰে হাততে টিনৰ বাকচটো লৈ লাহে লাহে গন্তব্য পথেৰে খোজ ল'লে। তেওঁ যেতিয়া নাৱত উঠিল আৰু নাও এৰি দিলে বিস্ফাৰিত নদীয়ে পৃথিবীত উচ্ছলিত অশ্ৰুৰাশিৰ দৰে চাৰিওফালে ছল-ছল শব্দ কৰিব ধৰিলে। তেতিয়া তেওঁ হৃদয়ৰ মাজত এক গোপন বেদনা অনুভব কৰিলে — এজনী সামান্য গাঁওলীয়া ছোৱালীৰ ককণ মুখৰ ছবিয়ে যেন এক বিশ্বব্যাপী বৃহৎ অব্যক্ত মৰ্মব্যথা প্ৰকাশ কৰিব ধৰিলে। এৰাৰ মনত ভাব হ'ল উভতি গৈ জগতৰ কোলাৰ পৰা সৰি পৰা সেই অনাথিনীক লগত লৈ আহিবলৈ। কিন্তু তেতিয়া পালত বতাহ লাগিছে, বৰষাৰ সোঁতত খৰতৰস্ৰোতে নাও ৰ'ব ধৰিছে। গাঁও পাৰ হৈ নদীৰ পাৰৰ শ্মশান দেখা গৈছে। নদীৰ টোত উটি যোৱা পোষ্টমাষ্টৰৰ উদাস হৃদয়ত তত্ত্বৰ উন্মেষ ঘটিল — জীৱনত এনে কত বিচ্ছেদ, কত মৃত্যু আছে উভতি গৈ কি লাভ? পৃথিবীত কোন কাৰ?

Scanned with CamScanner

ৰতনৰ মনত কোনো তত্ত্বৰ উদয় নহ'ল তাই কেৱল পোষ্ট-মাষ্টাৰ বহা অফিচটোৰ চাৰিওফালে ঘুৰি ফুৰিব ধৰিলে। তাই আশা কৰিলে তাই প্ৰাণৰ দাদা আকৌ এদিন উভতি আহিব। সেই আশাৰ বন্ধনতেই তাই দুৰৈলৈ যাব পৰা নাছিল। হায় বুদ্ধিহীন মানৱ হৃদয়! ভ্ৰান্তি একোতেই নাঁতৰে। যুক্তি শাস্ত্ৰৰ বিধান বহু পলমকৈ মুৰত প্ৰৱেশ কৰে। প্ৰৱল প্ৰামাণকো অবিশ্বাস কৰি মিছা আশাক দুই বাহু পাশেৰে বান্ধি বুকুৰ ভিতৰত প্ৰাণপনে সাৱটি ধৰে, অৱশেষত এদিন সকলো স্নায়ু কাটি হিয়াৰ তেজ শুহি খাই সি পলায়ন কৰে, তেতিয়াহে চেতনা জাগে কিন্তু দ্বিতীয় ভুলৰ পাশত পৰাৰ কাৰণে মন আকুল হৈ উঠে।

Scanned with CamScanner